অসম চৰকাৰ

প্ৰাথমিক শিক্ষা বিভাগ



# শৈক্ষিক দিনপঞ্জী

## শিক্ষাবৰ্ষ
## ২০২১-২২

**নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক পৰ্যায়ৰ বাবে**

(ক শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ)



প্ৰস্তুতকৰ্তা

ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

কাহিলিপাৰা, গুৱাহাটী- ৭৮১০১৯

# শৈক্ষিক দিনপঞ্জী : ২০২১-২২

## দিনপঞ্জীৰ উল্লেখনীয় দিশসমূহ

- দৈনন্দিন নিৰ্ধাৰিত সময়ত প্ৰাতঃসভাৰে বিদ্যালয়ৰ কাৰ্যসূচী আনুষ্ঠানিকভাৱে আৰম্ভ কৰিব। **প্ৰাতঃসভাত প্ৰতিদিনে ৰাষ্ট্ৰীয় সংগীত বা অসমৰ জাতীয় সংগীত গোৱাৰ ব্যৱস্থা কৰিব।**
- প্ৰাথমিক স্তৰৰ ছাত্ৰ-ছাত্ৰীয়ে যাতে সৰু কালৰ পৰাই সু-স্বাস্থ্য আৰু সু-অভ্যাস গঢ়ি তুলিব পাৰে তাৰ বাবে প্ৰতিগৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে তলত দিয়া দিশসমূহত চকু দিব —

  — অনাময় ব্যৱস্থা

  — খোৱাপানী আৰু খাদ্য গ্ৰহণ

  — পৰিষ্কাৰ-পৰিচ্ছন্নতা

**বিদ্যালয়ৰ সময়সূচী ঃ**

প্ৰাক্-প্ৰাথমিক শ্ৰেণীৰ শিশুৰ বাবে নিৰ্ধাৰিত ২ ঘণ্টা ৩০ মিনিট সময় তলত দিয়া ধৰণে ভাগ কৰি ল'ব —

| | | |
|---|---|---|
| প্ৰাতঃসভা (প্ৰয়োজন অনুসৰি এই সময় বৃদ্ধি কৰিব পাৰে) | — | ১৫ মিনিট |
| শৈক্ষিক বিষয়ৰ আদান-প্ৰদান | — | ২ ঘণ্টা ৫ মিনিট |
| বিৰতি | — | ১০ মিনিট |

অন্য শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে ৬ ঘণ্টা ২৫ মিনিট (৯ বজাৰ পৰা ৩.২৫ বজালৈ ) বিদ্যালয়ত থাকিব লাগিব। এই সময়খিনি তলত দিয়া ধৰণে বিতৰণ কৰি ল'ব -

| | |
|---|---|
| প্ৰাতঃ সভা | - ১৫ মিনিট |
| শৈক্ষিক আদান-প্ৰদান | - ৫ ঘণ্টা ২৫ মিনিট |
| প্ৰথম বিৰতি | - ১০ মিনিট |
| মধ্যাহ্ন ভোজন বিৰতি | - ৩৫ মিনিট |

- ২০২১-২২ **শিক্ষাবৰ্ষৰ মুঠ কৰ্মদিনঃ** ২৫৩     **মুঠ শ্ৰেণীদিনঃ** ২২২
- জিলা কৰ্তৃপক্ষৰ ঘোষণা অনুযায়ী স্থানীয় বন্ধৰ দিন পালন কৰিব।
- কোনো বিশিষ্ট ব্যক্তিৰ বিয়োগ হ'লে সেইদিনা শ্ৰেণী শেষ হোৱাৰ পাছত শোক সভা অনুষ্ঠিত কৰিব। কোনো কাৰণতে যাতে জিলা কৰ্তৃপক্ষৰ অনুমতি নোলোৱাকৈ বিদ্যালয় বন্ধ বা অৰ্ধছুটী ঘোষণা কৰা নহয় তাৰ প্ৰতি দৃষ্টি ৰাখিব।
- চৰকাৰৰ নিৰ্দেশ অনুযায়ী সময়ে সময়ে শৈক্ষিক দিনপঞ্জীৰ সালসলনি ঘটিব পাৰে; এই সালসলনিসমূহ যথা সময়ত জনোৱা হ'ব।
- চাহবাগান অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ সুবিধা অনুযায়ী নিম্ন প্ৰাথমিকৰ বাবে ৰাতিপুৱা ৭.৩০ৰ পৰা ১২.১৫ বজালৈ আৰু উচ্চ প্ৰাথমিকৰ বাবে ৰাতিপুৱা ৭.৩০ৰ পৰা ১.০০ বজালৈ সময় নিৰ্ধাৰণ কৰা হৈছে।
- মুঠ শ্ৰেণীদিন একে ৰাখি কতৃপক্ষৰ পূৰ্ব অনুমতি সাপেক্ষে বৰাক উপত্যকাত পূজাৰ বন্ধ ১০ দিনলৈ বঢ়াই গৰমৰ বন্ধত সমান সংখ্যক দিন কমাই ল'ব পাৰিব।
- বানপানীৰ ফলত বা অন্যান্য কাৰণত শ্ৰেণীদান ব্যাহত হ'লে বন্ধ দিন, দেওবাৰ বা পৰৱৰ্তী কাৰ্য দিনত স্কুল ছুটীৰ পাছত পাঠদান কৰি এই ক্ষতি পূৰ কৰিব।
- মণ্ডল সমল শিক্ষক সভা, কেন্দ্ৰ সভা আৰু উচ্চ প্ৰাথমিক পৰ্যায়ৰ মাণ্ডলিক সভা প্ৰতি মাহত সুবিধা অনুসৰি যিকোনো এটা শনিবাৰে নিয়মীয়া পাঠদান ব্যাহত নোহোৱাকৈ অনুষ্ঠিত কৰিব।
- বিশেষ প্ৰয়োজনসম্পন্ন শিশুৰ [Children with Special Needs (CWSN)] পাঠ আদান-প্ৰদানৰ ক্ষেত্ৰত শিক্ষকে প্ৰয়োজন অনুসৰি পাঠ্যক্ৰমত সন্নিবিষ্ট ক্ৰিয়া-কলাপ সালসলনি কৰি তেওঁলোকৰ সহায়ক হোৱাকৈ নমনীয় ব্যৱস্থা ল'ব।
- শিক্ষকসকলে শিশুৰ পিতৃ-মাতৃ আৰু অভিভাৱকৰ লগত প্ৰতিমাহত অতি কমেও এবাৰ সাক্ষাতৰ ব্যৱস্থা কৰি শিশুসকলৰ উপস্থিতি, শিকন দক্ষতা, শিকন ফলাফল আৰু তেওঁলোকৰ ব্যক্তিগত আৰু সামাজিক গুণৰাজিৰ বিকাশ সম্পৰ্কত তেওঁলোকক অৱগত কৰিব।

## শিশুৰ অধিকাৰ সুৰক্ষা আইন, ২০০৫

**শিশুৰ অধিকাৰ সুৰক্ষা আয়োগ আইন, ২০০৫ৰ ক্ষমতা আৰু কাৰ্যাৱলী—**

- প্ৰচলিত কোনো আইনৰ অধীনত বা আইনৰ দ্বাৰা প্ৰদান কৰা শিশুৰ অধিকাৰ সুৰক্ষা সম্বন্ধীয় ব্যৱস্থাসমূহ পৰীক্ষা আৰু পুনৰীক্ষণ কৰি এইসমূহ বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত যথাযথ পৰামৰ্শ প্ৰদান কৰা
- আয়োগৰ সুবিধা অনুযায়ী শিশুৰ নিৰাপত্তাজনিত ব্যৱস্থাসমূহৰ কাৰ্যকৰণ সম্পৰ্কত ৰাজ্য চৰকাৰক সময়ে সময়ে প্ৰতিবেদন দাখিল কৰা
- শিশুৰ কোনো অধিকাৰ উলংঘা কৰাৰ ক্ষেত্ৰত তাৎক্ষণিক তদন্ত কৰা আৰু এনে ক্ষেত্ৰত ল'বলগীয়া কাৰ্যব্যৱস্থাৰ বাবে পৰামৰ্শ দিয়া
- শিশুৰ অধিকাৰ বাধাগ্ৰস্ত কৰা কাৰকসমূহ, যেনে— সন্ত্ৰাসবাদ, সাম্প্ৰদায়িক হিংসা, বিদ্ৰোহ, প্ৰাকৃতিক দুৰ্যোগ, এইড্‌ছ, মানৱ সৰবৰাহ, উৎপীড়ন আৰু শোষণ আদিৰ দৰে অসামাজিক কাৰ্যবোৰ প্ৰতিৰোধ কৰাৰ কাৰণে ব্যৱস্থাৱলীৰ নিৰ্দেশ দিয়া
- যন্ত্ৰণাক্লিষ্ট শিশু, অনগ্ৰসৰ শিশু, অপৰাধত লিপ্ত হোৱা শিশু, অনাথ শিশুৰ ক্ষেত্ৰত ল'বলগীয়া যত্ন আৰু নিৰাপত্তা সম্পৰ্কীয় দিশসমূহ চালি-জাৰি চোৱা আৰু তাৰ উপযোগী ব্যৱস্থাৱলী সম্পৰ্কত নিৰ্দেশ দিয়া
- শিশুৰ অধিকাৰ সম্পৰ্কত সময়ে সময়ে স্বাক্ষৰিত হোৱা বিভিন্ন চুক্তি, আন্তৰ্জাতিক বিধিসমূহ অধ্যয়ন কৰা, শিশুৰ অধিকাৰ বিষয়ক কাম-কাজ, আঁচনি আৰু অন্যান্য কাৰ্যাৱলী সময়ে সময়ে পুনৰীক্ষণ কৰি চোৱা আৰু নীতি-নিয়মসমূহৰ প্ৰতি শিশুৰ আগ্ৰহ আৰু মনোযোগ সাপেক্ষে কাৰ্যকৰী কৰাৰ নিৰ্দেশ জাৰি কৰা
- 'শিশুৰ অধিকাৰ' শীৰ্ষক বিষয় সম্পৰ্কত গৱেষণামূলক অধ্যয়নৰ বাবে উচিত পদক্ষেপ গ্ৰহণ কৰা
- শিশুৰ অধিকাৰ কাৰ্যকৰীকৰণ সম্পৰ্কত সংবাদ মাধ্যম, আলোচনা চক্ৰ, সজাগতামূলক কাৰ্যসূচী আৰু অন্যান্য মাধ্যমৰ যোগেদি সমাজৰ বিভিন্ন শ্ৰেণীৰ মানুহৰ মাজত প্ৰচাৰ চলোৱা আৰু অধিকাৰসমূহ সুৰক্ষিত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা
- যিকোনো অভিযোগ সম্পৰ্কত অনুসন্ধান চলোৱা আৰু নিজাববীয়া জাননী জাৰি কৰা

## শিক্ষাৰ অধিকাৰ আইন, ২০০৯

**শিশুৰ শিক্ষাৰ অধিকাৰ সুৰক্ষিত কৰিবলৈ...**

- ৬-১৪ বছৰ বয়সৰ প্ৰতিজন শিশুৰ বিনামূলীয়া আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষা নিশ্চিত কৰিব লাগিব।
- যদিহে ৬ বছৰৰ উৰ্ধৰ কোনো শিশুক বিদ্যালয়ত নামভৰ্তি কৰোৱা হোৱা নাই বা কোনোবাই যদি প্ৰাথমিক শিক্ষা সম্পূৰ্ণ নকৰাকৈ বিদ্যালয় এৰিছে, তেনেহ'লে সেই শিশুক বয়স অনুসৰি নিৰ্দিষ্ট শ্ৰেণীত নামভৰ্তি কৰিব লাগিব।
- নামভৰ্তিৰ বেলিকা শিশু, পিতৃ-মাতৃ অথবা অভিভাৱকৰ বাছনি পৰীক্ষা লব নোৱাৰিব।
- নামভৰ্তিৰ বাবে বদলি বা জন্মৰ প্ৰমাণপত্ৰ অন্তৰায় হ'ব নোৱাৰিব।
- ভাষা, ধৰ্ম, লিঙ্গ, জাতি নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ আৰু শিক্ষা নিশ্চিত কৰিব লাগিব।
- সকলো শিশুৰ নিৰ্দিষ্ট শিক্ষাবৰ্ষৰ শিকন ফলাফল নিশ্চিত কৰি পৰৱৰ্তী শ্ৰেণীলৈ উত্তীৰ্ণ কৰাব লাগিব আৰু প্ৰাথমিক শিক্ষা সম্পূৰ্ণ নোহোৱা পৰ্যন্ত বিদ্যালয়ৰ পৰা বহিষ্কাৰ কৰিব নোৱাৰিব।
- কোনো শিশুকে শাৰীৰিক শাস্তি আৰু মানসিক নিৰ্যাতন দিব নোৱাৰিব।
- বিদ্যালয়ত সকলো শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ নিয়মীয়া উপস্থিতি নিশ্চিত কৰিব লাগিব।
- ছাত্ৰ-ছাত্ৰীৰ শিকন ক্ষমতানুযায়ী শিশুকেন্দ্ৰিক শিক্ষণ-শিকন ব্যৱস্থাৰ প্ৰৱৰ্তন আৰু শিকন অৰ্হতা নিৰ্ণয় কৰিবলৈ অবিৰত সামগ্ৰিক মূল্যায়নৰ ব্যৱস্থা কৰিব লাগিব।
- বিদ্যালয় বহিৰ্ভূত সকলো শিশুকে চিনাক্ত কৰি বিদ্যালয়মুখী কৰিবলৈ যত্নপৰ হ'ব আৰু অৰ্হতা অৰ্জনৰ অৰ্থে বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব। এনে প্ৰচেষ্টা প্ৰব্ৰজনকাৰী শিশুৰ ক্ষেত্ৰতো ল'ব লাগিব।
- শিক্ষকে ঘৰুৱা শিক্ষকতা কৰা কাৰ্যৰ পৰা বিৰত থাকিব।
- বিশেষ প্ৰয়োজন সম্পন্ন ছাত্ৰ-ছাত্ৰীসকলকো সম সুবিধা, নিৰাপত্তা আৰু সম্পূৰ্ণ অংশগ্ৰহণেৰে প্ৰাথমিক শিক্ষা লাভ কৰিবলৈ উৎসাহিত কৰিব লাগিব।
- পাঠদান আৰু তাৰ প্ৰস্তুতিৰ বাবে শিক্ষকসকলে সপ্তাহত ৪৫ ঘণ্টাকৈ বিদ্যালয়ত অতিবাহিত কৰিব লাগিব। দৈনিক সময় তালিকাৰ উপৰি শিক্ষকসকলে শিকনীয় দিশৰ প্ৰস্তুতি, মূল্যায়ন, ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকসকলৰ লগত যোগাযোগ আৰু বিদ্যালয় উন্নয়ন পৰিকল্পনা কৰ্মসূচী আদিৰ কামত নিয়োজিত কৰিব লাগিব।

## প্ৰাক্‌প্ৰাথমিক, প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক পৰ্যায়ৰ পাঠ্যক্ৰমত সন্নিবিষ্ট বিষয়সমূহ

**(ক) প্ৰাক্-প্ৰাথমিক শ্ৰেণী**

**প্ৰাক্-প্ৰাথমিক শ্ৰেণীৰ শিক্ষাৰ উদ্দেশ্য হৈছে —**

- শিশুসকলক বিদ্যালয়মুখী কৰাৰ বাবে পৰিৱেশ সৃষ্টি কৰা
- শিশুৰ সৰ্বাংগীন বিকাশত অৰিহণা যোগোৱা
- আনুষ্ঠানিক শিক্ষাৰ বাবে ধাউতি বঢ়োৱা আৰু প্ৰস্তুত কৰি তোলা

**সৰ্বাংগীন বিকাশৰ প্ৰধান দিশসমূহ হৈছে —**

- ভাষাৰ বিকাশ
- বোধ শক্তিৰ বিকাশ
- শাৰীৰিক বিকাশ
- সামাজিক আৰু আৱেগিক বিকাশ
- সৌন্দৰ্যবোধৰ বিকাশ
- সৃজনীমূলক শক্তিৰ বিকাশ

এই স্তৰত শিশুক খেল-ধেমালিৰ জৰিয়তে উক্ত গোটেই কেইটা দিশৰে বিকাশ সাধন কৰিবলৈ বিভিন্ন ক্ৰিয়া-কলাপৰ ব্যৱস্থা কৰা হয়। এইক্ষেত্ৰত শিক্ষয়িত্ৰীসকলে বিশেষ মন কৰিবলগীয়া দিশকেইটা হৈছে — এই পৰ্যায়ৰ শ্ৰেণীৰ বাবে অনুমোদিত কৰ্মপুথিসমূহ বিদ্যালয়ত প্ৰথম তিনিটা মাহত ব্যৱহাৰ কৰিবলৈ দিব নালাগে। এই তিনিটা মাহত বিদ্যালয়ৰ পৰিৱেশৰ লগত শিশুসকল যাতে খাপ খাব পাৰে তাৰ বাবে গীত-মাত, খেলা-ধূলা আৰু কথোপকথন আদি কাৰ্য কৰাব লাগে।

**প্ৰাক্-প্ৰাথমিক পাঠ্যক্ৰমত সামৰি লোৱা দিশসমূহ —**

শিশুৰ সৰ্বাংগীন বিকাশৰ বাবে শিক্ষয়িত্ৰীয়ে বিষয়ভিত্তিক পৰিকল্পনা কৰিব লাগে। বিষয়ভিত্তিক পৰিকল্পনা হৈছে —

⇨ বিভিন্ন বিষয়বস্তুক কেন্দ্ৰ কৰি প্ৰাক্-প্ৰাথমিক পৰ্যায়ৰ শিশুৰ উপযোগীকৈ যুগুতোৱা ক্ৰিয়া-কলাপৰ এক বিশদ বিৱৰণ।

⇨ বিষয়ভিত্তিক পৰিকল্পনাৰ গুৰুত্বপূৰ্ণ দিশবোৰ ক্ৰমে সহজৰ পৰা জটিললৈ আগবাঢ়ে অৰ্থাৎ প্ৰথমে বিষয়বস্তু সহজ বা শিশুৰ চিনাকি হ'ব লাগে আৰু লাহে লাহে অচিনাকি বা জটিললৈ আগবাঢ়িব লাগে।

⇨ শিশুক বিদ্যালয়ৰ পৰিৱেশৰ প্ৰতি আগ্ৰহান্বিত কৰিবলৈ চিনাকি হোৱা, খেল-ধেমালি, গীত-মাত, কথোপকথন আদি কৰাব লাগে। এইক্ষেত্ৰত শিক্ষয়িত্ৰীসকলে তলত দিয়া ধৰণে মাহভিত্তিক, বিষয়বস্তুভিত্তিক ক্ৰিয়া-কলাপৰ পৰিকল্পনা কৰিলে শিশুক বিদ্যালয়ৰ পৰিৱেশৰ প্ৰতি আকৰ্ষিত কৰিব পাৰিব।

| | |
|---|---|
| মে' ২১ | — গছ-গছনি, ফুল |
| জুন ২১ | — ফল-মূল, শাক-পাচলি |
| জুলাই ২১ | — গৰমৰ বন্ধ |
| আগষ্ট ২১ | — জীৱ, চৰাই |
| ছেপ্তেম্বৰ ২১ | — অংগ-প্ৰত্যংগ, যান-বাহন |
| অক্টোবৰ ২১ | — ঘৰ, পোছাক |
| নৱেম্বৰ ২১ | — পানী, কীট-পতংগ |
| ডিচেম্বৰ ২১ | — আকাশ, জীৱিকা |
| জানুৱাৰী ২২ | — বজাৰ, উৎসৱ |
| ফেব্ৰুৱাৰী ২২ | — পুনৰ আলোচনা |

ইয়াৰ বিশদ বিৱৰণ এই পৰ্যায়ৰ শিক্ষয়িত্ৰীৰ বাবে প্ৰস্তুত কৰা 'বিষয়বস্তুভিত্তিক ক্ৰিয়া-কলাপৰ পৰিকল্পনা'ত দাঙি ধৰা হৈছে।

**(খ) নিম্ন প্ৰাথমিক স্তৰ (প্ৰথম শ্ৰেণীৰপৰা পঞ্চম শ্ৰেণীলৈ)**

<u>বিষয়</u>

- **ভাষা ১**   ○ মাতৃভাষা আৰু মাধ্যম ভাষা
- **ভাষা ২**   ○ ইংৰাজী (ইংৰাজীৰ বাহিৰে আন মাধ্যমৰ বিদ্যালয়ৰ বাবে)
  ○ ৰাজ্যিক/সহযোগী ৰাজ্যিক ভাষাৰ যিকোনো এটা (ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ বাবে)
- **গণিত**
- **পৰিৱেশ অধ্যয়ন** (প্ৰথম আৰু দ্বিতীয় শ্ৰেণীত সমন্বিতভাৱে ভাষা আৰু আন বিষয়ৰ লগত সংলগ্নভাৱে থাকিব)
- **স্বাস্থ্য আৰু শাৰীৰিক শিক্ষা**
- **কলাশিক্ষা**

**(গ) উচ্চ প্ৰাথমিক স্তৰ (ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ)**

<u>বিষয়</u>

- গণিত
- বিজ্ঞান
- সমাজ বিজ্ঞান
- স্বাস্থ্য আৰু শাৰিৰীক শিক্ষা
- কলাশিক্ষা
- কৰ্মশিক্ষা
- ভাষা

**আৰ্হি (ক) (অসমীয়া মাধ্যমৰ বাবে)**

ভাষা ১ ঃ অসমীয়া

ভাষা ২ ঃ ইংৰাজী

ভাষা (৩+৪)ঃ ভাষা ৩ ঃ হিন্দী (পল্লৱ: ১ম, ২য়, ৩য় ) ৫০%

ভাষা ৪ ঃ বড়ো/বাংলা/গাৰো/ মণিপুৰী/নেপালী/ টিৱা/ টাই/ ৰাভা/দেউৰী/ মিছিং/ বিষ্ণুপ্ৰিয়া মণিপুৰী/সংস্কৃত আৰু আৰবী (৫০%)

অথবা

ভাষা ৩ ঃ হিন্দী ( পল্লৱ: ১ম, ২য়, ৩য় ) ১০০%

**আৰ্হি (খ) ঃ ( বাংলা মাধ্যমৰ বাবে)**

ভাষা ১ ঃ বাংলা

ভাষা ২ ঃ ইংৰাজী

ভাষা (৩+৪)ঃ ভাষা ৩ ঃ অসমীয়া (সাহিত্য কৰণী: ১ম, ২য়, ৩য় ) ৫০%

ভাষা ৪ ঃ বড়ো/বাংলা/গাৰো/ মণিপুৰী/নেপালী/ টিৱা/ টাই/ ৰাভা/দেউৰী/ মিছিং/ বিষ্ণুপ্ৰিয়া মণিপুৰী/সংস্কৃত আৰু আৰবী (৫০%)

অথবা

ভাষা ৩ ঃ অসমীয়া (সাহিত্য কৰণী: ১ম, ২য়, ৩য় ) ১০০%

**আৰ্হি (গ) ঃ (বড়ো মাধ্যমৰ বাবে)**

ভাষা ১ ঃ বড়ো

ভাষা ২ ঃ ইংৰাজী

ভাষা (৩+৪)ঃ ভাষা ৩ ঃ অসমীয়া (সাহিত্য কৰণী: ১ম, ২য়, ৩য় ) ৫০%

ভাষা ৪ঃ বড়ো/বাংলা/গাৰো/ মণিপুৰী/নেপালী/ টিৱা/ টাই/ ৰাভা/দেউৰী/ মিছিং/ বিষ্ণুপ্ৰিয়া মণিপুৰী/সংস্কৃত আৰু আৰবী (৫০%)

অথবা

ভাষা ৩ঃ অসমীয়া (সাহিত্য কৰণী: ১ম, ২য়, ৩য় ) ১০০%

- অসমীয়া, ইংৰাজী আৰু হিন্দী মাধ্যমৰ উপৰি অন্যান্য মাধ্যমৰ বিদ্যালয়সমূহতো একে ভাষা নীতি প্ৰযোজ্য হ'ব । **ইংৰাজী** মাধ্যমৰ বিদ্যালয়সমূহত ২য় ভাষা হিচাপে **অসমীয়া** প্ৰযোজ্য হ'ব । আনহাতে **অসমীয়া** আৰু **ইংৰাজী** ভাষাৰ বিদ্যালয়সমূহত ৩য় ভাষা হিচাপে **হিন্দী** প্ৰযোজ্য হ'ব আৰু হিন্দী মাধ্যমৰ বিদ্যালয়সমূহত ৩য় ভাষা হিচাপে **অসমীয়া** প্ৰযোজ্য হ'ব ।
- যিসকল ছাত্ৰ-ছাত্ৰীয়ে ৪ৰ্থ ভাষা বাছনি কৰে তেওঁলোকৰ বাবে ১ম (মাধ্যম ভাষা) অথবা ভাষা২ আৰু ভাষা ৩ একে হ'ব নালাগিব ।
  (উপৰোক্ত ভাষা নীতি চৰকাৰী অধিসূচনা নং PMA.329/2012/194, তাং ১৮/১২/২০১৯ অনুসৰি সন্নিবিষ্ট কৰা হৈছে)

## মূল্যবোধ শিক্ষা

(উৎপাদনশীলতা আৰু সংহতিৰ এক সমন্বিত প্ৰয়াস)

অতি সম্প্ৰতি অসমৰ বিদ্যালয়সমূহত মূল্যবোধ আধাৰিত অভিজ্ঞতাপুষ্ট শিক্ষণৰ বাবে পৰ্যায়ক্ৰমে কাৰ্যকৰী হোৱাকৈ এক দীৰ্ঘম্যাদী, উদ্ভাৱনীমূলক প্ৰকল্পৰ সূচনা কৰা হৈছে । ২০২১ শিক্ষা বৰ্ষৰ পৰা চৰকাৰী বিদ্যালয়সমূহত আৰম্ভ কৰিব পৰাকৈ এই প্ৰকল্পৰ প্ৰাথমিক কাৰ্যকলাপসমূহ ইতিমধ্যে আৰম্ভ কৰা হৈছে ।

শিশুসকলৰ সামগ্ৰিক বিকাশৰ প্ৰয়োজনক প্ৰাধান্য দি এই প্ৰকল্পত দহটা মূল মূল্যবোধ আৰু দক্ষতা (Core values and skills) বাছি উলিওৱা হৈছে । সেইসমূহ ক্ৰমে-

মূল মূল্যবোধ ১ ঃ বিকশিত স্তৰত নিজক বুজাৰ লগতে নিজৰ অনুভূতিসমূহক অনুশীলন কৰা।

মূল মূল্যবোধ ২ ঃ স্বাস্থ্য, পৰিচ্ছন্নতা, স্বচ্ছ পৰিৱেশ বজাই ৰখাত ইতিবাচক আচৰণ প্ৰতিফলিত কৰা।

মূল মূল্যবোধ ৩ ঃ পৰিস্থিতি সাপেক্ষে সমমৰ্মিতা প্ৰদৰ্শন কৰা বা সমভাগী হোৱা।

মূল মূল্যবোধ ৪ ঃ বিভিন্ন উপায়েৰে মানসিক চাপৰ সৈতে মোকাবিলা কৰা আৰু চাপমুক্ত হোৱা।

মূল মূল্যবোধ ৫ ঃ ব্যক্তিৰ মাজত পাৰস্পৰিক বান্ধোন সুদৃঢ় কৰাৰ অৰ্থে সুসম্পৰ্কৰ গুৰুত্ব বুজি পোৱা।

মূল মূল্যবোধ ৬ ঃ যোগাযোগ সূচনা কৰা, সহযোগিতা আৰু চিন্তন অনুশীলনত নিয়োজিত হোৱা।

মূল মূল্যবোধ ৭ ঃ আৰম্ভণ কৰা, আস্থা, যত্ন, কৃতজ্ঞতা, সম্মান, বন্ধুত্ব, দায়িত্ববোধ, আত্মবিশ্বাস, নিয়মানুৱৰ্তিতা, শান্তি, আনন্দ ইত্যাদি পোষণ কৰি অনুভূতিসমূহ বিকশিত কৰাৰ অভ্যাস গঢ়ি তোলা।

মূল মূল্যবোধ ৮ ঃ জানিবলৈ শিকা কাৰ্যত মনোযোগ কেন্দ্ৰীভূত কৰা আৰু বিষয়বস্তুৰ লগতে প্ৰযুক্তিবিদ্যাৰ জ্ঞান সমৃদ্ধ কৰা।

মূল মূল্যবোধ ৯ ঃ বাছনি কৰা, সিদ্ধান্ত লোৱা, মূল্যায়ন কৰা, সংঘাত নিৰ্মূল কৰা, নিজৰ লগতে আনৰ পথ প্ৰদৰ্শক হোৱা ইত্যাদি কাৰ্যৰ বাবে সক্ষম হ'বলৈ মননশীল চিন্তা কৰা।

মূল মূল্যবোধ ১০ ঃ উদ্ভাৱনীমূলকভাৱে চিন্তা কৰা আৰু সৃজনশীলতাক ভিত্তি কৰি উৎপাদনমূলক কামত নিয়োজিত হোৱা।

এই প্ৰকল্পটোত ১ম ৰ পৰা ১০ম শ্ৰেণীৰ শিশুসকলৰ সামগ্ৰিক বিকাশৰ প্ৰক্ৰিয়াত উপৰোক্ত মূল্যবোধ আৰু দক্ষতাসমূহক প্ৰধান লক্ষ্য কৰি লোৱা হৈছে । তদুপৰি এটা শিশু উপযোগী ভাৱ-বিনিময়ৰ পৰিৱেশ গঢ়ি তোলাৰ প্ৰয়াস কৰা হৈছে যিয়ে শিশুসকলৰ উৎপাদনশীলতা আৰু সমন্বয়ৰ ভাৱধাৰাক বিকশিত কৰি পৰিৱৰ্তিত সময়ৰ লগত ৰজিতা খুৱাই চলাত তেওঁলোকক উৎসাহিত কৰিব । শিক্ষক-শিক্ষাৰ্থীৰ মাজৰ পাৰস্পৰিক বুজাপৰাৰ এটা ইতিবাচক পৰিৱেশ ৰচনাৰ ওপৰতো প্ৰকল্পটোত গুৰুত্ব প্ৰদান কৰা হৈছে ।

মূল্যবোধ আৰু দক্ষতা আধাৰিত দৃশ্য-শ্ৰাব্য, সমল, পুতলা, সাধুকথা, কাৰ্টুন আদিৰে সমৃদ্ধ শিক্ষকৰ হাতপুথিয়ে প্ৰচলিত পাঠ্যক্ৰম, পাঠ্যপুথি, আদান-প্ৰদান প্ৰক্ৰিয়া আৰু মূল্যায়ন প্ৰক্ৰিয়াত কোনোধৰণৰ অতিৰিক্ত বোজা আৰোপ নকৰাকৈ নিৰ্দিষ্ট দিশত আগবাঢ়ি যাব পাৰিব।

ভিন ভিন বিষয়ৰ বিশেষজ্ঞ ব্যক্তি, ৰাষ্ট্ৰীয় শৈক্ষিক অনুসন্ধান আৰু প্ৰশিক্ষণ পৰিষদ, নতুন দিল্লী (NCERT) তথা বিশ্ববিদ্যালয় আৰু অন্যান্য প্ৰতিষ্ঠানৰ সমল ব্যক্তিসকলে ২০২০ বৰ্ষৰ ৰাষ্ট্ৰীয় শিক্ষানীতিৰ প্ৰতি লক্ষ্য ৰাখি পাঠ্যক্ৰম নিৰ্দেশনা আৰু সমল প্ৰস্তুতকৰণ প্ৰক্ৰিয়াত যথোচিত অৰিহণা যোগাইছে ।

প্ৰকল্পটোৰ পৰ্যায়সমূহলৈ লক্ষ্য ৰাখি সংশ্লিষ্ট বিষয়ৰ বিশেষজ্ঞ ব্যক্তি, অনুষ্ঠান-প্ৰতিষ্ঠান আদিক ভিন ভিন দিশত গৱেষণামূলক অধ্যয়নৰ বাবে আহ্বান জনোৱা হৈছে । সেয়েহে শিক্ষকৰ বাবে যুগুতোৱা এই হাতপুথি শ্ৰেণীকোঠাৰ বাস্তৱিক অভিজ্ঞতাৰ গৱেষণা, মননশীল চিন্তন আৰু অনুধাবনেৰে পুষ্ট হৈ উঠিব বুলি আশা কৰা হৈছে ।

■ প্ৰাথমিক পৰ্যায়ৰ সকলো বিদ্যালয়ত ২০২১ বৰ্ষৰ ১ এপ্ৰিলৰ পৰা নিয়মীয়া শ্ৰেণী দিন আৰম্ভ হ'ব।

